www.newsnextone.com
e সংবাদ

TUESDAY, DECEMBER 26, 2023>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, প্ৰথম সংখ্যা Guwahati, Assam ।। মূল্যঃ এটকা



শীৰ্ষ সংবাদ

# নিশ্চুপ জাতীয় সংগঠন

# অসমত আৰক্ষীৰাজ!

## ■ আৰক্ষীৰ অত্যাচাৰ সহিব নোৱাৰি তিতাবৰত ২৪ বছৰীয়া যুৱকৰ আত্মহত্যা ■

**ই-সংবাদ সেৱা, তিতাবৰঃ** আৰক্ষীৰ নিৰ্মম অত্যাচাৰ সহিব নোৱাৰি যোৰহাট জিলাৰ তিতাবৰত চৰম পথ বাছি ল'লে এগৰাকী ২৪ বছৰীয়া যুৱকে। তিতাবৰৰ বিৰিণাশায়েক গাৰিকুৰি গাঁৱত সংঘটিত হৈছে এই লোমহৰ্ষক ঘটনা। ভুৱা সংঘৰ্ষক লৈ সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে মঙলবাৰে সংঘটিত এই ঘটনাই এতিয়া সকলোকে হতবাক কৰি তুলিছে। আত্মহত্যা সংঘটিত কৰা যুৱকজন দীপাংকৰ গগৈ। প্ৰাপ্ত খবৰ অনুযায়ী যোৰহাটত সংঘটিত হোৱা গ্ৰেণেড বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত বিগত কিছুদিন ধৰি আৰক্ষীয়ে সোধ-পোছ কৰি আহিছিল দীপাংকৰক। পৰিয়ালৰ লোকসকলে সোধ-পোছৰ নামত আৰক্ষীয়ে যুৱকজনক অত্যাচাৰ চলোৱাৰো অভিযোগ উত্থাপন কৰিছে। আত্মহত্যা সংঘটিত কৰা যুৱকজনৰ বায়েকে জনোৱামতে আৰক্ষীয়ে সন্দেহৰ ভিত্তিত সোধ-পোছ আৰম্ভ কৰাৰ পিছৰে পৰা তেওঁ মানসিকভাৱে একপ্ৰকাৰ ভাগি পৰিছিল। যোৱা কিছুদিন ধৰি আৰক্ষীয়ে ঘৰৰ পৰা পুৱাই উঠাই নি নিশা দুই-আঢ়ৈ বজাত ঘৰত থৈ গৈছিল দীপাংকৰক। কোনো তথ্য প্ৰমাণ নোহোৱাকৈ একমাত্ৰ সন্দেহৰ ভিত্তিতে যুৱকজনক এনেদৰে হাৰাশাস্তি কৰি আহিছে বুলিও দাবী কৰে পৰিয়ালৰ লোকসকলৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে ৫ বছৰ পূৰ্বে আলফাত যোগদান কৰিবলৈ যোৱাৰ পথত অৰুণাচলত আছাম ৰাইফলছে কৰায়ত্ব কৰিছিল দীপাংকৰক। তেতিয়াৰে পৰা দীপাংকৰ আলফাৰ সৈতে কোনো সম্পৰ্ক নাই বুলিও দাবী কৰে পৰিয়ালৰ লোকসকলে। কিন্তু যোৱা ১৪ ডিচেম্বৰত যোৰহাটৰ লিচুবাৰীস্থিত সেনা ছাউনীৰ সমীপত গ্ৰেনেড বিস্ফোৰণ সংঘটিত হোৱাৰ পিছতে আৰক্ষীয়ে উক্ত ঘটনাৰ সৈতে দীপাংকৰ জড়িত থকাৰ সন্দেহ কৰি সোধ-পোছ কৰিবলৈ থানালৈ লৈ যায়। এই ঘটনাৰ পিছতে মানসিকভাৱে ভাগি পৰি আজি পুৱাই ঘৰৰ পৰা ওলাই যায়। পিছত শুই উঠি পৰিয়ালৰ সদস্যসকলে তেওঁক নেদেখি বিচাৰিবলৈ আৰম্ভ কৰাৰ লগতে আৰক্ষীকো খবৰ দিয়ে। অৱশেষত (৫ নং পৃষ্ঠাত চাওক)

নিউজ কেপচুল

## আলফাৰে সম্পৰ্ক, নলবাৰীৰ জয়ন্ত-বিশ্বজিতক গ্ৰেপ্তাৰ

অসম আৰক্ষীয়ে সংঘটিত কৰা ভুৱা এনকাউণ্টাৰক লৈ ৰাজ্যত উত্তেজনাই বিৰাজ কৰি থকাৰ সময়তে এইবাৰ আলফা স্বাধীনক সমৰ্থন কৰি পোষ্ট দিয়া নামনি অসমৰ দুই যুৱকক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীয়ে। সামাজিক মাধ্যমৰ পোষ্টৰ বাবে নলবাৰী জিলাৰ দুই যুৱকক গ্ৰেপ্তাৰ কৰিছে নলবাৰী আৰক্ষীয়ে। নলবাৰীৰ জয়ন্ত তালুকদাৰ আৰু বিশ্বজিৎ সাউদ বুলি জানিব পৰা গৈছে। দুয়ো যুৱকক এক পৰ্যায়ৰ জেৰাৰ পাছতে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। দুয়ো যুৱকে আলফাৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰো অভিযোগ উত্থাপিত হৈছে।

## যোৰহাটত নেতাক হত্যাৰ অপচেষ্টা

অসম আৰক্ষীয়ে অসমৰ কেইবাগৰাকী যুৱকক গুলীয়াই ঘূণীয়া কৰাৰ সময়তে এইবাৰ এজন জাতীয় সংগঠনৰ নেতাক দুৰ্বৃত্তই হত্যাৰ প্ৰয়াস কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে যোৰহাটত। বীৰ লাচিত সেনাৰ যোৰহাট জিলা সমিতিৰ সম্পাদক ডিম্পল দাসক চোকা অস্ত্ৰৰে হত্যাৰ প্ৰয়াস কৰে দুৰ্বৃত্তই। চাৰজনীয়া দুৰ্বৃত্তৰ দলে চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ডিম্পল দাসক হাস্পতালত ভৰ্তি কৰোৱা হয়। বিভিন্ন জাতীয় সমস্যাক লৈ সক্ৰিয় ভূমিকা পালন কৰা বীৰ লাচিত সেনাৰ নেতাক আক্ৰমণ কৰাৰ ঘটনাক সহজে ল'ব পৰা নাই যোৰহটীয়া ৰাইজে। দোষীক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাইছে বিভিন্ন দল-সংগঠনে।

# অসমীয়াই হিতেশ্বৰ শইকীয়া আৰু প্ৰফুল্ল কুমাৰ মহন্তক ক্ষমা খোজক!

“পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবেই যদি এতিয়া আৰক্ষীয়ে এইবোৰ কাম কৰিবলগীয়া হৈছে তেন্তে হিতেশ্বৰ-মহন্তয়ো পৰিস্থিতিৰ তাগিদাত সেই দমনৰাজ চলাবলগীয়া হৈছিল৷”



**ললিত গগৈ**

(১)

ক’বলৈ ভাষা নাই। আলফাৰে জড়িত থকাৰ সন্দেহত আৰক্ষীৰ এনকাউণ্টাৰত গুলীবিদ্ধ পাঁচজন অসমীয়া যুৱকৰ পিছত এইবাৰ আৰক্ষীৰ নিৰ্যাতনৰ সন্মুখীন হোৱা আন এজন যুৱকৰ আত্মহত্যাৰ বাতৰি আহিল। আলফা দমনৰ নামত অসমীয়া যুৱকৰ ওপৰত নিধনযজ্ঞ চলাবলৈ গৈ হিতেশ্বৰ শইকীয়াই নাম পাইছিল গণশত্ৰু, প্ৰফুল্ল মহন্ত গুপ্তহত্যাৰ নায়ক। আলফা দমনৰ নামত এতিয়া যিবোৰ ঘটিবলৈ ধৰিছে সেয়া পূৰ্বৰ লগত কি পৃথক? পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবেই যদি এতিয়া আৰক্ষীয়ে এইবোৰ কাম কৰিবলগীয়া হৈছে তেন্তে হিতেশ্বৰ-মহন্তয়ো পৰিস্থিতিৰ তাগিদাত সেই দমনৰাজ চলাবলগীয়া হৈছিল৷ আৰু তাৰ বাবে তেওঁলোকক গণশত্ৰু, গুপ্তহত্যাৰ চৰ্দাৰ বুলি নিন্দা-গৰিহণাৰে উপচাই দিয়াৰ যুক্তি নাছিল। এতিয়াৰ দমনৰাজক যদি বৈধ আৰু ন্যায়সংগত বুলি সমৰ্থন দিব খোজা হয়, তেন্তে হিতেশ্বৰ-মহন্তৰ ওচৰত আমি পূৰ্বতে দিয়া গৰিহণাসূচক উপাধিৰ বাবে ক্ষমা খোজা উচিত।”

(২)

মন কৰিব-আৰক্ষীক ভদ্ৰ-নম্ৰ হবলৈ মুখ্যমন্ত্ৰীয়ে আৰম্ভনিৰ পৰা পাঠ দি আহিছে । কাজিৰঙাৰ বন পালকজনক আৰক্ষী অধীক্ষকে দুব্যৱহাৰ কৰা ঘটনাৰ বেলিকাও আৰক্ষীক উদ্ধতালি আৰু ক্ষমতাৰ অপব্যৱহাৰ নকৰিবলৈ সকীয়নি দিলে । কিন্ত এই যে আলফাৰ সন্দেহত আৰক্ষীয়ে যুৱককেইজনক নিজৰ জিন্মাত থকা অৱস্থাতে গুলীবিদ্ধ কৰিলে তাক কিন্ত মুখ্যমন্ত্ৰীয়ে আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰ বুলি গৰিহনা বা সৰ্তকবানী শুনোৱা নাই বৰং আৰক্ষীয়ে এনকাউণ্টাৰ কৰা-নকৰা সম্পৰ্কত একো নকওঁ বুলিহে মন্তব্য কৰিছে । ইয়াৰ পৰা এইটোৱেই ইংগিত পোৱা গৈছে যে আৰক্ষীৰ এনকাউণ্টাৰ চলি থাকিব । ইয়াত মুখ্যমন্ত্ৰীৰ সহমত আছে । আনহাতে গুলীবিদ্ধ যুৱককেইজন আলফাৰে জৰিত নহয় বুলি স্পষ্টীকৰন দিবলৈ গৈ আলফা স্বাধীনৰ তৰফৰ পৰা যিটো বিবৃতি দিয়া হৈছে তাত অসম আৰক্ষীক সাৱধানী শুনোৱা হৈছে ঠিকেই ; কিন্ত গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীজনৰ প্ৰতি কোনো বিষোদগাৰ নাই । নাই কোনো সকীয়নি । ইপিনে মুখ্যমন্ত্ৰীয়ে বৰ সহজভাবে কৈছে যে পৰেশ বৰুৱা উভতি আহিলেই অসমৰ সকলো সমস্যাৰ সমাধান হব । মুখ্যমন্ত্ৰীৰ আহবানমৰ্মে কোনো ৰাজনৈতিক সমাধানসূত্ৰ অবিহনেই পৰেশ বৰুৱা উভতি আহিব বুলি ভবা হলে হিতেশ্বৰ শইকীয়া ; প্ৰফুল্ল মহন্ত ; তৰুন গগৈৰ আহবানতে অসমলৈ উভতি আহিলেহেতেঁন । আমাৰ কথা হল-পৰেশ বৰুৱাই যিহেতু আৰম্ভনিতেই হিমন্ত বিশ্ব শৰ্মাক স্বাধীনোত্তৰ অসমৰ প্ৰথমজন ব্যতিক্ৰমী মুখ্যমন্ত্ৰী বুলি ছাৰ্টিফিকেট দি থৈছে সেইফালৰ পৰা মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰক পতিয়ন নিয়াই পৰেশ বৰুৱাক সসন্মানেৰে অসমলৈ উভতাই অনাৰ দায়িত্ব পালন কৰক ।

**সম্পাদকীয়**

মঙলবাৰ,
২৬ ডিচেম্বৰ, ২০২৩।।
নিশা ১০ বজা

## ৰাম মন্দিৰে দেশক কি দিব?

**লাহে লাহে** চমু চাপিছে অযোধ্যাৰ ৰাম মন্দিৰৰ অভিষেকৰ দিন। নতুন বছৰৰ পহিলা মাহৰ ২২ তাৰিখে মহা আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হ’ব ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠান। ইতিমধ্যে এই অনুষ্ঠানৰ পূৰ্বে ৰাম জন্মভূমি ট্ৰাষ্টে প্ৰস্তুত কৰি উলিয়াইছে এক অতি আকৰ্ষণীয় নিমন্ত্ৰণী পত্ৰ। এই নিমন্ত্ৰণী পত্ৰ তেওঁলোকৰ অতিথিসকললৈ প্ৰেৰণ কৰাৰ উপৰিও ইয়াক এক "ঐতিহাসিক নথি" হিচাপে সাজি উলিওৱাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। এটা গেৰুৱা ৰঙৰ বেগৰ ভিতৰত ৰখা হৈছে এই নিমন্ত্ৰণী পত্ৰ। বেগৰ ওপৰত লিখা আছে "ৰাম মন্দিৰ অযোধ্যা"। বেগটো খুলিলে ভিতৰত দেখা যায় এটা কাঠৰ বাকচ। বাকচটোত হাতত ধনু-কাঁড় লৈ থকা অৱস্থাৰ পৰুষোত্তম ৰামৰ এক প্ৰতীক আছে, লগতে আছে সূৰ্য্যৰ প্ৰতীকো। এটা সৰু খিলি ঘূৰালে খোল খায় বাকচটো, ভিতৰত ফালে আছে ৰামভক্ত হনুমানৰ গদাৰ চিত্ৰ। নিমন্ত্ৰণী পত্ৰখনৰ প্ৰথম পৃষ্ঠাত ৰাম আৰু সীতাক সিংহাসনত বহি থকাৰ এক প্ৰতীক দেখা যায়, দুয়োফালে ৰামৰ ভাতৃ আৰু তেওঁৰ ভৰিৰ ওচৰত আছে ভক্ত হনুমান। পৰৱৰ্তী পৃষ্ঠাত ৰাম মন্দিৰ অভিষেকৰ আমন্ত্ৰণ, অযোধ্যাৰ মাটিৰ সাৰাংশ আৰু ৰামচৰিত মানসৰ উল্লেখ আছে। পৃষ্ঠাৰ পিছফালে ৰামৰ বাণী, তামৰ মুদ্ৰা আৰু ৰাম মন্দিৰৰ নিৰ্মাণৰ সাৰাংশ লিখা এখন কাঠৰ ফলক আছে। নিমন্ত্ৰণী পত্ৰৰ এটা আকৰ্ষণীয় অংশ হৈছে ভিতৰত অযোধ্যা মাটিভৰ্তি এটা আইনাৰ সৰু বটল। ৰখা সূতাৰে মুখবন্ধ বটলটোৰ ওজন ১০ গ্ৰাম বুলি লিখা আছে। কাঠৰ ঢাকনিত অংকন কৰা হৈছে ভগৱান ৰামৰ মুখমণ্ডল আৰু ৰাম মন্দিৰৰ গঠন। ভালদৰে চালে স্পষ্ট হৈ পৰে যে সমগ্ৰ নিমন্ত্ৰণী পত্ৰখনে ৰাম মন্দিৰৰ সৈতে জড়িত ভাৰতৰ প্ৰাচীন সংস্কৃতিক সামৰি ল’ব বিচাৰিছে। আনকি দেৱনাগৰী লিপিতো সংস্কৃতিৰ প্ৰাচীনতাক প্ৰতিধ্বনিত কৰা হৈছে। তামৰ মুদ্ৰা আৰু অযোধ্যাৰ মাটিৰ আইনাৰ সৰু বটলটোতো প্ৰতিফলিত কৰা হৈছে হিন্দু সংস্কৃতিক। কিন্তু কথা হ’ল ৰাম মন্দিৰ নিৰ্মাণৰ পিছত ভাৰতীয়ৰ জীৱনলৈ আমূল পৰিৱৰ্তন আহিবনে? ৰাম মন্দিৰে ভাৰতীয়সকলৰ দুখ-দুৰ্দশা নাইকিয়া কৰিব পাৰিবনে? সকলোতকৈ লাখটকীয়া প্ৰশ্নটো হৈছে ৰাম মন্দিৰে ভাৰতত অনাগত দিনত প্ৰকৃতাৰ্থত মহাত্মা গান্ধীৰ সপোনৰ ৰামৰাজ্য প্ৰতিষ্ঠা হ’বনে?



বিশেষ সংবাদ

# ‘হিমন্ত চৰকাৰ’ক হত্যাকাৰী আখ্যা অখিলৰ

## যোৱা দুবছৰত এনকাউণ্টাৰত নিহত ৮২ জন

**ই-সংবাদ সেৱা, গুৱাহাটীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনক হত্যাকাৰীৰ চৰকাৰ আখ্যা দিছে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বিগত তিনিটা দিনত অসম আৰক্ষীয়ে সংঘটিত কৰা সন্দেহজনক এনকাউণ্টাৰে সমগ্ৰ ৰাজ্যত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি আজি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এখন সংবাদমেল সম্বোধন কৰি এই মন্তব্য কৰে। ৰাইজৰ দলৰ সভাপতি গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমালোচনাৰে থকা-সৰকা কৰি এনেধৰণৰ এনকাউণ্টাৰ বন্ধ কৰিবলৈ দাবী জনায়। অখিল গগৈয়ে কয় ‘এই এনকাউণ্টাৰ বন্ধ কৰা হওক। এয়া এটা বিৰোধী দলৰ আৰু বিধায়কৰ দাবী। আমি স্পষ্টভাৱে এই হত্যাকাণ্ড, এই গুলীচালনা, এই এনকাউণ্টাৰ, এই ভুৱা এনকাউণ্টাৰ আৰু পুলিচৰ জিম্মাত মানুহক মৰাৰ ঘটনা বন্ধ হ’ব লাগে।’ সংবাদমেলত হিমন্ত বিশ্ব শৰ্মা আৰু জিপি সিঙে এতিয়ালৈকে ভুৱা এনকাউণ্টাৰ কৰি ৮২ জন মানুহক হত্যা কৰাৰ গুৰুতৰ অভিযোগ আনে অখিল গগৈয়ে। গগৈয়ে আৰু কয় ‘এনে ১৮৮টা ঘটনা সংঘটিত কৰিলে। ১৮৮টা এনকাউণ্টাৰ বা ভুৱা এনকাউণ্টাৰ, পুলিচৰ জিম্মাৰ কাণ্ড সংঘটিত হৈছে। ৰাইজৰ দলৰ একমাত্ৰ বিধায়ক হিচাপে প্ৰত্যেকবাৰে বিধানসভাত ভুৱা এনকাউণ্টাৰৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিছো আৰু প্ৰতিবাদ সাব্যস্ত কৰিছিলো। মই বাৰে বাৰে কৈছিলো আইনৰ শাসন আনিব লাগে। জংঘলৰাজ বন্ধ হ’ব লাগে। প্ৰত্যেকখন অধিবেশনত মই প্লেকাৰ্ড লৈ গৈছিলো। ভুৱা এনকাউণ্টাৰ বন্ধ কৰিব লাগে। তেতিয়া মানুহে আমাৰ কথা গুৰুত্ব দিয়া নাছিলে।’-গগৈয়ে কয়। তেওঁ আৰু কয় যে যেতিয়া তেওঁ বিধানসভাত প্ৰশ্ন কৰিছিল তেতিয়া গৃহমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই অখিল গগৈয়ে সদায়েই ভুৱা এনকাউণ্টাৰৰ ওপৰতে প্ৰশ্ন তুলি থাকে বুলি কৈছিল। অখিলে কয়, 'এয়া গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত আটাইতকৈ ডাঙৰ আক্ৰমণ। ৰাষ্ট্ৰ সন্ত্ৰাসৰ বৰ্বৰতম নিদৰ্শন হৈছে ভুৱা এনকাউণ্টাৰ। ভদ্ৰ সমাজে কেতিয়াও এনে বৰ্বৰ ৰাষ্ট্ৰ সন্ত্ৰাসক স্বীকৃতি দিব নোৱাৰে। যেতিয়া এনে ভুৱা এনকাউণ্টাৰ কৰি মুছলমান মানুহ এজনক হত্যা কৰা হৈছিল তেতিয়া মানুহবোৰে ফূৰ্তি পাইছিল। যেতিয়া আমাৰ বিশ্বজিৎ বৰগোহাঁই, মনোজ বৰগোহাঁই, দ্বীপজ্যোতি নেওগ, পল্লৱজ্যোতি গগৈ, ৰঙিয়াৰ প্ৰাঞ্জল দাস, নগাঁৱৰ কীৰ্তিকমল ভূএঞাক আক্ৰমণ কৰা হৈছিল তেতিয়াহে অসমীয়া মানুহে মাত মাতিবলৈ আৰম্ভ কৰিছিল। কিন্তু ৰাইজৰ দলে জাতি, ধৰ্ণ, বৰ্ণ নিৰ্বিশেষে এনেদৰে আইন-আদালত অস্বীকাৰ কৰি বেআইনী আৰু বৰ্বৰভাৱে এনেদৰে ৰাষ্ট্ৰ সন্ত্ৰাস নমাই দিয়া কাণ্ডক আমি সদায়েই বিৰোধিতা কৰি আহিছো আৰু বিৰোধিতা কৰি যাম।’ উল্লেখ্য যে, ২৪ ডিচেম্বৰৰ নিশা আলফাৰ লিংকমেন হোৱাৰ সন্দেহ ৰঙিয়াৰ প্ৰাঞ্জল দাসক গ্ৰেপ্তাৰ কৰিছিল ৰঙিয়া মহকুমা আৰক্ষীয়ে। নিশা আৰক্ষীয়ে গাড়ীৰে বাইহাটা চাৰিআলিৰ শালমাৰালৈ নি থকাৰ সময়তে প্ৰাঞ্জল দাসে পলায়ন কৰিব খোজে। ফলত প্ৰাঞ্জল দাসক কাবু কৰিবলৈ গুলী চলোৱাত প্ৰাঞ্জলৰ ভৰিত গুলী লাগি বাগৰি পৰাত পুনৰ আৰক্ষীয়ে ধৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। তদ্ৰুপ শদিয়াৰ বিশ্বজিৎ বৰগোহাঁই, দ্বীপজ্যোতি নেওগ, মনোজ বৰগোহাঁই আৰু শিৱসাগৰৰ পল্লৱজ্যোতি গগৈকো আৰক্ষীয়ে এনকাউণ্টাৰ কৰে। যুৱককেইজনে আলফা স্বাধীনত যোগদানৰ বাবে ম্যানমাৰলৈ যাত্ৰা কৰাৰ সময়তে অসম আৰক্ষীয়ে অভিযান চলোৱাৰ সময়তে এনকাউণ্টাৰ কৰা বুলি আৰক্ষীয়ে মত ব্যক্ত কৰিছে। এনে ধাৰাবাহিক ঘটনাৰ পিছতে আজি এইদৰে সংবাদমেলযোগে অসম চৰকাৰক একপ্ৰকাৰ হত্যাকাৰীৰ চৰকাৰ আখ্যা দিয়ে শিৱসাগৰৰ বিধায়কগৰাকীয়ে। স্মৰ্তব্য যে, হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা অসমত উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথ চৰকাৰৰ আৰ্হিত এনকাউণ্টাৰ আৰম্ভ হৈছিল। সেইসময়ত ডকাইত আৰু কেবাটাও ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ কৰি লৈ যোৱাৰ পৰত পলাবলৈ চেষ্টা চলোৱা বাবে এনকাউণ্টাৰ কৰা বুলি কৈছিল আৰক্ষীয়ে।

ৰাষ্ট্ৰীয় খবৰ

# ইজৰাইলী দূতাবাসত বোমা বিস্ফোৰণ!

**নতুন দিল্লী, ২৬ ডিচেম্বৰঃ** ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে দেশৰ ৰাজধানী নতুন দিল্লীস্থিত ইজৰাইলী দূতাবাসত বোমা বিস্ফোৰণ সংঘটিত কৰাৰ সন্দেহ কৰা হৈছে৷ মঙলবাৰে সন্ধিয়া বৃহৎ শব্দৰে বিস্ফোৰণ সংঘটিত হোৱাত চাঞ্চল্যৰ সৃষ্টি হয়৷ দিল্লী আৰক্ষীয়ে মঙলবাৰে সন্ধিয়া নতুন দিল্লীৰ ইজৰাইলী দূতাবাসৰ ওচৰত বিস্ফোৰণৰ বিষয়ে তথ্য লাভ কৰিছিল। দিল্লী অগ্নি নিৰ্বাপক সেৱাৰ বিষয়াসকলৰ মতে, আবেলি ৫.৪৭ বজাত ফোন এটা ফোন লাভ কৰিছিল৷ আৰক্ষী আৰু অগ্নি নিৰ্বাপক বিভাগৰ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। অৱশ্যে, আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা সন্দেহজনক একো উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰি আছে। ইজৰাইলৰ বৈদেশিক মন্ত্ৰালয়ে এক বিবৃতি যোগে দূতাবাসৰ সকলো কৰ্মচাৰী সুৰক্ষিত আৰু স্থানীয় আৰক্ষী সৈতে সহযোগিতা কৰি থকা বুলি কয়৷

স্থানীয় সংবাদ

# কলিয়াবৰত হোটেল উচ্ছেদ ৰাইজৰ

**ই-সংবাদ সেৱা, কলিয়াবৰ, ২৬ ডিচেম্বৰঃ** নগাঁও জিলাৰ কলিয়াবৰত চৰকাৰ, প্ৰশাসন ফেইল হৈছে৷ সেয়েহে চৰকাৰ, প্ৰশাসনৰ কাম কৰিবলৈ হি'ল-দল ভাঙি ওলাই আহিল ৰাইজ৷ ৰাইজে উচ্ছেদ অভিযান চলালে কলিয়াবৰত৷ কলিয়াবৰৰ বাগৰি আৰু হাৰমতি অঞ্চলৰ ৰাইজে ভাঙি লণ্ড ভণ্ড কৰিলে এখন হোটেল। হাৰমতিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ এখন হোটেলত দীৰ্ঘ দিনে অনৈতিক কাণ্ড সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। শেহতীয়াকৈ হাৰমতিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ হোটেলত এজন লোকক নিচা জাতীয় দ্ৰব্য মিহলোৱা চাহ খুৱাই এখন চাৰিচকীয়া বাহন হাইজেক কৰিছিল দুৰ্বৃত্তই৷ চাৰিচকীয়া বাহন হাইজেক কৰি বিক্ৰী কৰে দুৰ্বৃত্তৰ দলে। গাড়ী হাইজেক কৰাৰ অপৰাধত বাগৰি আৰক্ষীয়ে হোটেলখনৰ পৰা এহাল দম্পতীক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। কিন্তু হোটেলখনত চলি থকা এনে অনৈতিক কাৰ্য বন্ধ কৰিবলৈ আৰক্ষীয়ে কোনো গুৰুত্ব আৰোপ নকৰে৷ যাৰ ফলত বাগৰি আৰু হাৰমতি অঞ্চলৰ ৰাইজে হোটেলখন ভাঙি লণ্ড ভণ্ড কৰে। হোটেলখনত দীৰ্ঘদিনৰ পৰা অনৈতিক কাৰ্য চলি থকাৰ পাছতো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ আনে ৰাইজে৷

বিশেষ খবৰ

# প্ৰভাৱশালী মহিলাৰ তালিকাত মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকিৰ নাম

**ই-সংবাদ সেৱা, গুৱাহাটী, ২৬ ডিচেম্বৰঃ** অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মা বাৰে বাৰে সম্পত্তি ক্ৰয় কৰি বিতৰ্কৰ মাজত সোমাই আহিছে৷ কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজসাহায্য লোৱা আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত সম্পত্তি ক্ৰয় কৰি ৰাজ্যৰ বিৰোধী দলৰ আক্ৰমণৰ সন্মুখীন হৈ অহা ৰিণিকি ভূঞা শৰ্মা এতিয়া দেশৰ প্ৰভাৱশালী মহিলাৰ মাজৰ এগৰাকী৷ ভাৰতৰ শীৰ্ষ ১০০ গৰাকী সফল মহিলাৰ মাজত স্থান পাইছে ৰিণিকি ভূঞা শৰ্মাই৷ মুখ্যমন্ত্ৰীৰ পত্নী হোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ পত্নীয়ে বিভিন্ন ব্যৱসায়ত জড়িত৷ নিউজ চেনেল, মনোৰঞ্জন চেনেল, চাহ বাগানকে ধৰি বিভিন্ন ব্যৱসায় কৰে মুখ্যমন্ত্ৰীৰ পত্নীক দেশৰ এশগৰাকী উদ্যমী মহিলাৰ মাজত স্থান পাইছে৷ ৰিণিকি ভূঞা শৰ্মাক দেশৰ এশগৰাকী মহিলাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিছে ইণ্ডিয়া টুডে নামৰ আলোচনী খনে৷ এই তালিকাখনত ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মু, মুকেশ আম্বানীৰ পত্নী নীতা আম্বানী, অভিনেত্ৰী দীপিকা পাডুকন, বক্সাৰ নিখত জেৰিণেও স্থান লাভ কৰিছে৷



# জম্মু-কাশ্মীৰ দ্বিতীয় গাজা হৈ পৰিব বুলি দাবী ফাৰুক আব্দুল্লাৰ

**শ্ৰীনগৰ, ২৬ ডিচেম্বৰঃ** কেন্দ্ৰীয় চৰকাৰে বিশেষ অধিকাৰ প্ৰদান কৰা ধাৰা ৩৭০ আঁতৰোৱাৰ পাছতো জম্মু-কাশ্মীৰলৈ আজিও শান্তি ঘূৰি নাহিল৷ দেশ শীৰ্ষ আদালতেও কেন্দ্ৰীয় চৰকাৰে ধাৰা ৩৭০ আতৰোৱাৰ সিদ্ধান্তত মোহৰ লগাইছে৷ কিন্তু জম্মু-কাশ্মীৰত প্ৰতিদিনে সেনা-সন্ত্ৰাসবাদীৰ সংঘৰ্ষ, সন্ত্ৰাসবাদীৰ জিঘাংসা অব্যাহত আছে৷ সেনা জোৱান শ্বহীদ হৈ অহাৰ লগতে সাধাৰণ নাগৰিকক হত্যা কৰি গৈছে সন্ত্ৰাসবাদীয়ে৷ তাৰ মাজতে জম্মু-কাশ্মীৰক পেলেষ্টাইনৰ গাজাৰ সৈতে ৰিজাইছে জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ নেতা ফাৰুক আব্দুল্লাই৷ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক সমালোচনা কৰিবলৈ গৈ ফাৰুক আব্দুল্লাই কৰা এনে মন্তব্যই দেশত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ফাৰুক আব্দুল্লাই জম্মু-কাশ্মীৰৰ পৰিস্থিতি গাজাৰ সদৃশ হ'ব বুলি আশংকা ব্যক্ত কৰে ফাৰুক আব্দুল্লাই। তেনে পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ কাশ্মীৰ সমস্যাৰ সন্দৰ্ভত পাকিস্তানৰ সৈতে আলোচনাত বহিব লাগিব ভাৰত চৰকাৰ। অন্যথা ভূস্বৰ্গ কাশ্মীৰ দ্বিতীয় গাজালৈ ৰূপান্তৰিত হোৱাটো নিশ্চিত বুলি দাবী কৰে আব্দুল্লাই। ফাৰুক আব্দুল্লাই কয় ‘প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যুদ্ধ কোনো সমস্যাৰ সমাধানৰ বিকল্প পথ নহয়। বৈঠক বা আলোচনাৰ মাধ্যমত সমাধানলৈ অহা উচিত। কাশ্মীৰ সমস্যা সন্দৰ্ভত বৈঠক ক'ত হৈছে৷ নৱাজ শ্বৰীফ পাকিস্তানৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হোৱাৰ পথত। তেওঁ ভাৰতৰ সৈতে আলোচনাত বহিবলৈ আগ্ৰহী। তেন্তে তেওঁৰ সৈতে কথা পাতিবলৈ আমি সাজু নহও কিয়? ইয়াৰ আঁৰৰ কাৰণ কি? যদি আমাৰ আলোচনাৰ মাধ্যমত সমাধান নহয়, তেন্তে আমাৰ পৰিণতি গাজাৰ দৰেই হ'ব। য'ত ইজৰাইলে বোমা বৰ্ষণ কৰিছে- বুলিও কয় আব্দুল্লাই৷



**প্ৰথম পৃষ্ঠাৰ পৰা...**

অৱশেষত ঘৰৰ পিছফালৰ চাহ বাগিচাৰ কাষত থকা এজোপা গছত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰে পিতৃয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত তিতাবৰ মহকুমা আৰক্ষী বিষয়া কাকলি পাটগিৰি আৰু দণ্ডাধীশ উপস্থিত হৈ মৃতদেহটো মৰোণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আৰক্ষীৰ নিৰ্যাতনৰ বলি হৈ এনেদৰে ২৪ বছৰীয়া যুৱকজনে চৰম পথ বাছি ল'বলগীয়া হোৱা ঘটনাই স্থানীয় ৰাইজক ক্ষোভিত কৰি তুলিছে। পৰিয়ালৰ লোকসকলে অভিযোগ কৰা মতে আৰক্ষীয়ে দীপাংকৰৰ মোবাইল ফোন দুটাও লৈ গৈছে যদিও তাত কি আপত্তিজনক তথ্য আছে সেই সম্পৰ্কে জানিবলৈ দিয়া নাই। যদিহে দীপাংকৰৰ বিৰুদ্ধে আৰক্ষীয়ে উত্থাপন কৰা অভিযোগ আৰু সন্দেহৰ উপযুক্ত কোনো প্ৰমাণ দিব নোৱাৰে তেন্তে মৰণোত্তৰ পৰীক্ষাৰ পিছত মৃতদেহ চমজি নলয় বুলিও আৰক্ষী-প্ৰশাসনক সকীয়াই দিয়ে পৰিয়াল আৰু স্থানীয় ৰাইজে। উল্লেখ্য যে বিগত কিছুদিন ধৰি অসমত কেইবাটাও এনকাউণ্টাৰৰ ঘটনা সংঘটিত হৈছে৷ উজনি-নামনিত আৰক্ষীৰ বন্দুকৰ পৰা ওলোৱা গুলীত আহত হৈছে কেইবাজনো যুৱক। এই যুৱককেইজন হৈছে কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ শালমাৰাৰ প্ৰাঞ্জল দাস, শদিয়াৰ বিশ্বজিৎ বৰগোহাঁই, মনোজ বৰগোহাঁই, দ্বীপজ্যোতি নেওগ আৰু শিৱসাগৰৰ পল্লৱজ্যোতি গগৈ। যুৱককেইজনক আৰক্ষীয়ে আলফাল লিংকমেন বুলি দাবী কৰাৰ বিপৰীতে পৰিয়াল তথা স্থানীয় লোকসকলে আৰক্ষীৰ সেই দাবী ভিত্তিহীন বুলি অভিযোগ কৰিছে। ইফালে, আলফাৰে সম্পৰ্ক থকাৰ সন্দেহত এনকাউণ্টাৰ কৰা যুৱককেইজনৰ আলফাৰে কোনো সম্পৰ্ক নাই বুলি আলফা স্বাধীনে বিবৃতিযোগে জনোৱাৰ পিছতে সমগ্ৰ অসমত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। অৱশ্যে এনে ঘটনা সত্বেও জাতীয়তাবাদী দল-সংগঠনসমূহ একপ্ৰকাৰ নিশ্চুপ হৈ থকাৰ অভিযোগ উত্থাপন কৰিছে নেটিজেনসকলে। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসমত বৰ্তমান আৰক্ষীৰাজ চলিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে মিলি অসমত অসমীয়া মানুহৰ নিধন-যজ্ঞ চলাইছে বুলিও গুৰুতৰ অভিযোগ কৰে অখিল গগৈয়ে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়ায়ো এনে সন্দেহজনক এনকাউণ্টাৰক বিৰোধ কৰি তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে৷ শইকীয়াই স্পষ্ট কৰি কয় যে আৰক্ষীয়ে যিমান মৰ্ডানেজাইচন হৈ আছে, তাত কাবাডী খেলটো অন্তৰ্ভুক্ত হ'ব লাগে। যাতে অসম আৰক্ষীয়ে কোনোবাই পলাই যাব ল'লে গবা মাৰি ধৰিব পাৰে৷ জিপি সিং অসমলৈ অহাৰ পাছত অসমত যিকোনো আন্দোলন কৰিলেই অসমৰ স্বাৰ্থত, গুলীয়াই হত্যা কৰাৰ আদি কৰি পংগু কৰাৰ যিটো প্ৰৱণতা চলি আছে তাৰ শেহতীয়া ৰূপ দেখা গ'ল বুলিও তেওঁ মন্তব্য কৰে। একে দিনাই কামৰূপ, শদিয়া, শিৱসাগৰ জিলাত মুঠ ৫ জন যুৱকক ভৰিত গুলীওৱা হৈছে। পলাই যাবলৈ লওতে গুলীওৱা বুলি কোৱা হৈছে। তেওঁলোকক এনেদৰে হত্যাৰ চেষ্টা নে, মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে মুখ্যমন্ত্ৰীয়ে ২০২১ চনৰ ২১ জুনত ভৰতি গুলীয়াবলৈ আৰক্ষীক নিৰ্দেশ দিছিল সেই নিৰ্দেশে জি.পি সিঙে পালন কৰি আহিছে। এয়া আইন বিৰুদ্ধ কথা আৰু এনে ঘটনা শীঘ্ৰে বন্ধ কৰিবলৈ বিৰোধী নেতাগৰাকীয়ে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ আৰু অসম আৰক্ষীক দাবী জনায়।

# মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ ইংগিতত ৰাজ্যত এনকাউণ্টাৰঃ DYFI

**ই-সংবাদ সেৱা, গুৱাহাটী, ২৬ ডিচেম্বৰঃ** অসম আৰক্ষীয়ে শেহতীয়াকৈ সংঘটিত কৰা এনকাউণ্টাৰ সংস্কৃতিক তীব্ৰ বিৰোধ কৰিছে ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচন অসম ৰাজ্যিত সমিতিয়ে৷ বিগত তিনিটা দিনত বিদ্ৰোহ সংগঠন আলফা স্বাধীনৰ সৈতে জড়িত থকাৰ সন্দেহত ৫ জনকৈ যুৱকক এনকাউণ্টাৰ কৰাত ৰাজ্যত আতংকময় পৰিস্থিতিয়ে পৰিৱেশ বিৰাজ কৰা বুলি দাবী কৰিছে সংগঠনটোৱে৷ মুখ্যমন্ত্ৰীৰ প্ৰত্যক্ষ ইংগিতত আৰক্ষীয়ে এনকাউণ্টাৰ কাৰ্য আৰম্ভ কৰাৰ অভিযোগ আনি এনকাউণ্টাৰ কাৰ্যক অমানৱীয়, নিষ্ঠুৰ তথা বেআইনী বুলি কৈ তৎকালে এনকাউণ্টাৰ বন্ধ কৰিবলৈ দাবী জনাইছে সংগঠনটোৱে। এনকাউণ্টাৰ কেতিয়া গ্ৰহণযোগ্য হ'ব নোৱাৰে৷ লোকসভা নিৰ্বাচন চমু চাপি অহাত শাসক পক্ষৰ প্ৰত্যক্ষ সহযোগত ৰাজ্যখনত এক আতংকময় আৰু অস্থিৰ পৰিস্থিতি সৃষ্টি কৰিব বিচৰা হৈছে বুলি অভিযোগ উত্থাপন কৰিছে বামপন্থী সংগঠনটোৱে৷

সাম্প্ৰতিক

# নতুন বছৰত মহামাৰী ৰূপ ল’ব পাৰে ক’ভিডে

## স্বাস্থ্য বিশেষজ্ঞৰ আকৌ বিশ্ববাসীক সকীয়নি

**লণ্ডন, ২৬ ডিচেম্বৰঃ** চাৰি বছৰ পূৰ্বেই ডিচেম্বৰ মাহতে সমগ্ৰ বিশ্বক কঁপাই মহামাৰী কৰোনাৰ প্ৰাদুৰ্ভাৱ আৰম্ভ হৈছিল৷ চাৰি বছৰৰ অন্তত পুনৰ খ্ৰীষ্টমাছৰ বতৰতে অশনি সংকেত হৈ আহিছে কৰোনা ভাইৰাছ৷ সমগ্ৰ বিশ্বই ইংৰাজী নৱবৰ্ষ আৰু খ্ৰীষ্টমাছ পালন কৰি থকাৰ সময়তে পুনৰ এইবাৰ ডিচেম্বৰ মাহতে কৰোনাৰ সংক্ৰমণ আৰম্ভ হোৱাত নাগৰিক কম্পমান হৈছে। এইবাৰ ডিচেম্বৰত জেএন-১ নামেৰ ভাইৰাছৰ সংক্ৰমণ আৰম্ভ হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই চিন্তা ব্যক্ত কৰি ‘ভ্যাৰিয়েণ্ট অফ ইণ্টাৰেষ্ট’ বুলি অভিহিত কৰিছে। বিশেষজ্ঞৰ মতে, মানৱ শৰীৰৰ ওপৰত এই উপ-প্ৰকাৰৰ প্ৰভাৱ ইমান ক্ষতিকাৰক নহয়। কিন্তু প্ৰশ্ন হয়, ডিচেম্বৰত কৰোনাৰ সংক্ৰমণ বৃদ্ধি হয় কিয়? বিশেষজ্ঞসকলে কয় যে মুখ্য কাৰণ হৈছে শীতকাল। কেইবাটাও অধ্যয়নত ঠাণ্ডা পৰিৱেশত কোভিড-১৯ বিয়পাৰ সম্ভাৱনা অধিক বুলি কোৱা হৈছে। এই নতুন চাব-ভেৰিয়েণ্ট জে.এন-১ শীতকালত দ্ৰুতগতিত বিয়পিছে। ভাৰত, চীন, আমেৰিকা আৰু ইংলেণ্ডত ইতিমধ্যে বৃহৎ সংখ্যক লোক জেএন-১ত সংক্ৰমিত হৈছে। আনকি যেতিয়া কৰোনাক মহামাৰী বুলি ঘোষণা কৰা হৈছিল, বিশেষজ্ঞসকলে সংক্ৰমণ বৃদ্ধি আৰু হ্ৰাসৰ এক মুখ্য কাৰণ হিচাপে বতৰক দোষাৰোপ কৰিছিল। অধ্যয়নত কোৱা হৈছে যে কোভিডৰ দ্বিতীয় ঢৌৰ সময়ত উত্তৰ গোলাৰ্ধৰ দেশবোৰ অধিক প্ৰভাৱিত হৈছে।

স্থানীয় সংবাদ

# বঙাইগাঁৱত বাহনৰ খুন্দাত নিহত গৰ্ভৱতী সোণালী বান্দৰ

## মৌন প্ৰাৰ্থনাৰে নিহত বান্দৰটোক শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ সেৱা, বঙাইগাঁও, ২৬ ডিচেম্বৰঃ** বন্যপ্ৰাণী সুৰক্ষাৰ নামত ভেঙুচালি কৰি আহিছে চন্দ্ৰমোহন পাটোৱাৰীৰ বন বিভাগে৷ বন বিভাগ সজাগ নোহোৱাৰ ফল আজি ৰাজপথত নিহত হৈছে এটা দুষ্প্ৰাপ্য সোণালী বান্দৰ৷ বঙাইগাঁও জিলাৰ কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত এখন বাহনৰ খুন্দাত এটা দুষ্প্ৰাপ্য সোণালী বান্দৰ নিহত হয়। নিহত বান্দৰটো গৰ্ভৱতী আছিল। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰাৰ চেষ্টা চলোৱাৰ সময়তে বাহনে খুন্দা মৰাত ৰাজপথত লেবেজান হয় বান্দৰটো। বঙাইগাঁৱত অনুষ্ঠিত হ’বলগীয়া গল্ডেন লংগুৰ ফেষ্টিভেলৰ প্ৰস্তুতি চলি থকাৰ সময়তে গৰ্ভৱতী সোণালী বান্দৰ দুৰ্ঘটনাত নিহত হোৱাত স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। ঘটনাস্থলীত অভয়াপুৰী বনাঞ্চলিক বিষয়াক সোনালী বান্দৰৰ সুৰক্ষিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক্ষোভিত ৰাইজে দাবী জনাইছে। ঘটনাস্থললীত স্থানীয় ৰাইজে ১ মিনিট মৌন প্ৰাৰ্থনাৰে সোনালী বান্দৰটোক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ ইপিনে আৰক্ষী আৰু বনবিভাগে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

ৰাজনীতি, দেশ

# অনুসূচিত জাতিৰ লোকক অপমান মুখ্যমন্ত্ৰীৰ!

**ই-সংবাদ, গুৱাহাটী, ২৬ ডিচেম্বৰঃ** অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্ৰাহ্মণ্যবাদ তথা বৰ্ণবাদৰ ৰাজনীতি কৰিছে৷ আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে এই অভিযোগ উত্থাপন কৰিছে অসম ৰাজ্যিক চিপিআইএমে৷ মুখ্যমন্ত্ৰীয়ে ২৬ ডিচেম্বৰৰ পুৱা  ফেচবুকৰ পেজ আৰু এক্সত শ্বেয়াৰ কৰা এটা ভিডিঅ’ক লৈ ক্ষুন্ন হৈছে বামপন্থী দলটোৱে৷ ধৰ্মগ্ৰন্থ ‘গীতা’ৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে শ্বেয়াৰ কৰা ভিডিঅ’টোত ব্ৰাহ্মণ্যবাদ তথা বৰ্ণবাদৰ পোষকতা কৰাত তীব্ৰ নিন্দা কৰিছে৷ মুখ্যমন্ত্ৰীৰ অতীতমুখী-পশ্চাৎপদ চিন্তা তথা বীভৎস ৰাজনৈতিক দৰ্শন বৰ্জনৰ বাবে জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে চিপিআইএমে। বিবৃতিটোত চিপিআইএমে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আধুনিক সভ্যতা, গণতান্ত্ৰিক আৰু মানৱীয় প্ৰমূল্য সকলো বিসৰ্জন দি সমাজক ভাগ ভাগ কৰাত ব্যস্ত হৈ পৰিছে। কেৱল সাম্প্ৰদায়িকতাবাদৰ বিষবাষ্প বিয়পাই সমাজত ঘৃণা-বিদ্বেষ আৰু সংঘাতৰ বীজ সিঁচা নাই, এতিয়া ব্ৰাহ্মণ্যবাদৰো প্ৰৱক্তা হৈ আধুনিক ভাৰতবৰ্ষত চতুৰ্বৰ্ণ ব্যৱস্থা প্ৰৱৰ্তনৰ হকে উন্মাদপ্ৰায় হৈ পৰিছে। হিন্দুত্ববাদৰ নামত ক্ষমতাৰ খকত বলীয়া মুখ্যমন্ত্ৰী শৰ্মাই গীতাৰ শ্লোক উদ্ধৃত কৰি শূদ্ৰসকলক ব্ৰাহ্মণৰ সেৱাত নিযুক্ত হ’বলৈ পৰামৰ্শ দিছে। চিপিআইএমে বৰ্ণবাদী ব্যৱস্থাৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আনুগত্যক ধিক্কাৰ দিয়াৰ ভাষা নাই বুলি কয়। এয়া বিজেপিৰ শাসনত সমাজক অতীতৰ পিনে টানি নিয়াৰ ঘৃণ্য অপচেষ্টা মাথোন! অসমৰ দৰে ৰাজ্যত তথাকথিত শূদ্ৰসকলক বৈদিক যুগৰ ৰীতিমতে ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ৰ সেৱাত নিযুক্ত হ’বলৈ পৰামৰ্শ দিয়াৰ সহজ অৰ্থ হ’ল, অনুসূচিত জাতি-জনজাতিসহ ৰাজ্যৰ বিপুল সংখ্যক জনগণক তুচ্ছজ্ঞান কৰা আৰু আধুনিক সভ্যতা আৰু সমাজত তেওঁলোকৰ অধিকাৰবোৰ হৰণ কৰা। এয়াই বিজেপি-আৰএছএছৰ ৰাজনৈতিক দৰ্শন। ইয়াক প্ৰতিহত কৰা প্ৰয়োজন। বামপন্থী দলটোৱে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি ভাৰতীয় সংবিধানৰ পৰিৱৰ্তে ‘মনু-সংহিতা’ৰ প্ৰতি অধিক আনুগত্য প্ৰকাশ কৰি ‘সতীদাহ’ প্ৰথাৰো পোষকতা কৰিব পাৰে বুলি সন্দেহ ব্যক্ত কৰে। সেয়ে মুখ্যমন্ত্ৰী-আৰএছএছ-বিজেপিৰ সাম্প্ৰদায়িক আৰু বিভাজনবাদী ৰাজনীতি প্ৰতিহত কৰিবলৈ ৰাজ্যৰ জনসাধাৰণক আহ্বান জনাইছে বাওঁ দলটোৱে৷

# শেষ পৃষ্ঠা

## “বিশ্বকাপৰ পাছত প্ৰথমবাৰৰ বাবে খেলপথাৰত নামিল ৰোহিত-কোহলি”

## জাদেজা বাহিৰ



দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথমখন টেষ্ট মেচত প্ৰথমে বেটিং কৰিছে ভাৰতে। আফ্ৰিকান অধিনায়কগৰাকীয়ে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। এই মেচখনত ভাৰতীয় দলত নাথাকে ৰবীন্দ্ৰ জাদেজা। জাদেজাৰ ঠাইত ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে অশ্বিনক। আনহাতে, দলত সুযোগ পাইছে প্ৰসিদ্ধ কৃষ্ণই। কৃষ্ণই আজি প্ৰথমখন টেষ্ট মেচ খেলিছে। উল্লেখ্য যে বিশ্বকাপৰ পাছত আজি প্ৰথমবাৰৰ বাবে খেলপথাৰত নামিছে ৰোহিত শৰ্মা আৰু বিৰাট কোহলি।

## ছুপাৰ স্কোৱাড চেম্পিয়ন



অসম ৰোল বল সন্থাই তিনিদিনীয়াকৈ আয়োজন কৰা ৰোল বল লীগ চেম্পিয়ন ট্ৰফীৰ সোমবাৰে সামৰণি পৰে। দিছপুৰৰ ৰুদ্ৰ সিংহ গ্ৰাউণ্ডত পাঁচটা দলৰ লীগত চেম্পিয়নছ ট্ৰফী লাভ কৰে ছুপাৰ স্কোৱাডে। প্ৰথম ৰাণাৰ্ছ আপ হয় ছাইলেণ্ট কিলাৰ আৰু দ্বিতীয় ৰাণাৰ্ছ আয় চেলেঞ্জাৰ্ছ দল। ফাইনেলৰ শ্ৰেষ্ঠ আৰু প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় মিলন বৰদলৈ। মৌৰ্য দাসে লাভ কৰে শ্ৰেষ্ঠ কীপাৰৰ সন্মান। উত্তেজনাপূৰ্ণ ফাইনেলত ৯-৮ গ’লত বিজয়ী হয় ছুপাৰ জায়েন্টছ দল।

## ষ্টাম্পেই আম্পায়াৰ!



ক্ৰিকেট জগতৰ বাবে নতুন উদ্ভাৱন হৈ আহিছে ইলেক্ট্ৰা উইকেট ষ্টাম্প। বেটছমেনৰ পাছফালে থকা উইকেট ষ্টাম্পেই দিব খেলৰ প্ৰতিটো বলৰ সংকেত। খেলৰ অগ্ৰগতিৰ লগে লগে ঘনে ঘনে সলনি হ’ব ইলেক্ট্ৰা ষ্টাম্পৰ ৰং। আৰু ষ্টাম্পৰ ৰঙেই দি যাব খেলৰ প্ৰতিটো নিৰ্ণয়। ইলেক্ট্ৰা ষ্টাম্প ৰঙা ৰঙেৰে উজলি উঠিলে পেভিলিয়নমুখী হ’ব লাগিব বেটছমেন। ধাৰাবাহিক ৰং সলনিয়ে যদি বাউণ্ডেৰী বুজাব, এটা এটাকৈ ইটোৰ সৈতে সিটো ৰং একেলগে জ্বলি উঠিলে বুজাব ছিক্সাৰ। একেদৰে ৰঙা আৰু বগা ৰঙৰ সাল-সলনিয়ে যদি ন’ বল বুজাব, বেঙুনীয়া আৰু নীলা ৰঙৰ সালসলনিয়ে বুজাব দুটা অভাৰৰ মাজৰ সময়।



# পাকিস্তানত নিৰ্বাচনী ৰণত নামিছে ২৫ বছৰীয়া হিন্দু কন্যা ডাঃ সবেৰা

**ইছলামাবাদ, ২৬ ডিচেম্বৰঃ** পাকিস্তানৰ এখন প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব এগৰাকী ২৫ বছৰীয়া হিন্দু কন্যাই৷ এই খবৰে ভাৰতৰ সংবাদমাধ্যমত বিশেষ গুৰুত্ব লাভ কৰিছে৷ পাকিস্তানৰ ৪ খন প্ৰদেশৰ নিৰ্বাচন আৰু নেচনেল এচেম্বলীৰ নিৰ্বাচন অহা ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ’ব৷ খাইবাৰ পাখতুনখোৱা প্ৰদেশৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ২৫ বছৰীয়া হিন্দু কন্যা ডা০ সবেৰা প্ৰকাশে৷ আচিফ আলী জৰ্দাৰীৰ দল পাকিস্তান পিপলছ পাৰ্টিয়ে খাইবাৰ পাখতুনখোৱাৰ বুনেৰ জিলাৰ পি.কে-২৫ সমষ্টিত টিকট প্ৰদান কৰিছে ডা০ সবেৰা প্ৰকাশক৷ পি.কে-২৫ সমষ্টি হৈছে মহিলাৰ বাবে সংৰক্ষিত আসন। পাকিস্তানৰ নেচনেল এচেম্বলী আৰু চাৰিখন ৰাজ্যৰ প্ৰাদেশিক বিধানসভাত ৮ ফেব্ৰুৱাৰীত নিৰ্বাচন অনুষ্ঠিত হ'ব। খাইবাৰ পাখতুনখোৱাত প্ৰথমবাৰৰ বাবে এগৰাকী হিন্দু মহিলাই বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। পাকিস্তানত হিন্দু মহিলাক দাবী-ধমক দি ধৰ্ম পৰিৱৰ্তন কৰোৱা বুলি প্ৰায়ে খবৰ প্ৰকাশ পাই আহিছে৷ এনে পৰিস্থিতিত এগৰাকী হিন্দু মহিলাই পাকিস্তানত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনয়ন দাখিল কৰাৰ খবৰে বিশেষ চৰ্চা লাভ কৰিছে। সবেৰা প্ৰকাশ পেছাত এগৰাকী চিকিৎসক৷ স্থানীয় ৰাজনীতিবিদ ছালিম খানে কয় যে বুনেৰৰ পৰা আগন্তুক সাধাৰণ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰকাশ হৈছে প্ৰথমগৰাকী মহিলা। ২০২২ চনত এবটাবাদ আন্তঃৰাষ্ট্ৰীয় চিকিৎসা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা প্ৰকাশে দলৰ স্থানীয় মহিলা শাখাৰ সাধাৰণ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। সমাজৰ কল্যাণৰ প্ৰতি প্ৰকাশে প্ৰতিশ্ৰুতি প্ৰদান কৰি মহিলাৰ উন্নতিৰ বাবে কাম কৰিব বুলি কয়৷ মহিলাৰ সুৰক্ষিত পৰিৱেশ নিশ্চিত কৰি অধিকাৰৰ বাবে যুঁজিবলৈ ইচ্ছা প্ৰকাশ কৰে সবেৰা প্ৰকাশে। চিকিৎসা সেৱাৰ পৃষ্ঠভূমি সৈতে জড়িত সবেৰা প্ৰকাশে কয় যে মানৱতাৰ সেৱা কৰাটো মোৰ তেজত আছে৷ চিকিৎসক হিচাপে কাম কৰাৰ সময়ত চৰকাৰী চিকিৎসালয়সমূহৰ দুৰ্বল ব্যৱস্থাপনা আৰু অসহায়তা প্ৰত্যক্ষ কৰি বিধায়ক হোৱাৰ সপোন দেখা বুলিও কয় প্ৰকাশে। স্থানীয় প্ৰভাৱশালী নাগৰিক ইমৰান নোশাদ খানে সাবেৰা প্ৰকাশৰ প্ৰতি আন্তৰিক সমৰ্থন ব্যক্ত কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান